গুৰু বিপিন সিং

বনাম

শ্ৰী চাংথাম মণিহাৰ সিং আৰু অন্যান্য

অক্টোবৰ ১১, ১৯৯৬

[ন্যায়াধীশ জি. এন. ৰায় আৰু ন্যায়াধীশ বি.এল. হান্সাৰিয়া]

*ভাৰতীয় দণ্ডবিধি, ১৮৬০- ধাৰা ৪২০, ৪৬৫, ৪৬৮ আৰু ৫০০- ফৌজদাৰী প্ৰক্ৰিয়াৰ আৰম্ভণি বিচাৰি- পূৰ্বে এটা অভিযোগ দাখিল কৰা হৈছিল, যি ক্ষমা প্ৰাৰ্থনাৰে আপোচ কৰি সমাপ্ত হৈছিল- একে অপৰাধৰ পুনৰাবৃত্তিৰ অভিযোগ কৰা হৈছিল- ব্যৱস্থা গ্ৰহণৰ নতুন কাৰণ প্ৰাপ্ত হ'লেও- উপস্থাপন কৰে, আইনীভাৱে গ্ৰহণযোগ্য প্ৰমাণ উপলব্ধ নহয়- ধাৰা ৪৬৩ৰ অধীনত কমিচন অব্‌ ফৰজাৰী (জালিয়াতি কৰা) হ'ব লাগিব- যিকোনো মিছা নথিপত্ৰ বা কোনো এক অংশ প্ৰস্তুত কৰাটো বাধ্যতামূলক- জালিয়াতিৰ অবিহনে ধাৰা ৪২০ৰ অধীনত অভিযোগ বিফল হ'ব- ধাৰা ৪৬৮, ধাৰা ৪২০ আৰু ৪৬৫ ধাৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত।*

*সাক্ষ্য আইনঃ ধাৰা ৩৩- প্ৰভিচো- ৰিলায়েন্সে প্ৰথম অভিযোগত নথিভুক্ত কৰা কিছুমান বিবৃতিত ভিত্তি কৰিবলৈ বিচাৰিছিল- উপস্থাপন কৰে, ই আইনত গ্ৰহণযোগ্য নহয় যিহেতু প্ৰয়োজনীয়তাবোৰ পালন কৰা হোৱা নাই।*

*ভাৰতৰ সংবিধান, ১৯৫০: অনুচ্ছেদ ১৩৬- সাধাৰণতে কেৱল য'ত ন্যায়ৰ অপব্যৱহাৰ হয় তাতহে আহ্বান কৰিব পাৰি- তাতেও উত্থাপন কৰিব পাৰি য'ত প্ৰক্ৰিয়া অব্যাহত ৰখাটো কেৱল আদালতৰ সময়ৰ অপচয় হ'ব, কিয়নো কোনো উপযোগী উদ্দেশ্য পূৰণ কৰা নহ'ব।*

আপীলকাৰীৰ বিৰুদ্ধে ১৯৬৬চনৰ আৰম্ভণিতে ভাৰতীয় দণ্ডবিধিৰ ৫০০ধাৰাৰ অধীনত অভিযোগ দাখিল কৰা হৈছিল। অৱশ্যে, ১৯৬৮ চনত এই অভিযোগ আপোচেৰে সমাপ্ত হৈছিল। আবেদনকাৰীয়ে ক্ষমা বিচাৰিছিল আৰু সেয়া গ্ৰহণ কৰা হৈছিল। অভিযোগটো আপীলকাৰীয়ে ১৯৬৪চনত প্ৰকাশ কৰা "*গোবিন্দ সংগীত লীলা বিলাস*" শীৰ্ষক কিতাপখনৰ সৈতে সম্পৰ্কিত, যাৰ বাবে তেওঁক সংগীত নাটক একাডেমী বঁটা প্ৰদান কৰা হৈছিল। বিষয়টোৰ জ্ঞানপূৰ্ণ উপস্থাপনৰ প্ৰতীক হিচাপে এই বঁটা প্ৰদান কৰা হৈছিল।

১৯৮৯চনত আপীলকাৰীৰ "*Dances of Manipur the classical tradition"(মণিপুৰৰ ধ্ৰুপদী পৰম্পৰাৰ নৃত্য*) শীৰ্ষক প্ৰকাশিত প্ৰবন্ধৰ ভিত্তিত এক নতুন অভিযোগ দাখিল কৰা হৈছিল যে, আপীলকাৰীয়ে পূৰ্বৰ অভিযোগৰ বিষয়বস্তুৰে একেটা অপৰাধৰ পুনৰাবৃত্তি কৰাৰ ফলত এক নতুন cause of action (কাৰণ) আৰোপ কৰা হৈছিল। এই সংকলনখনত আপীলকাৰীৰ "*Theory: the taxual tradition"(তত্বঃ পাঠগত পৰম্পৰা*) শীৰ্ষক এখন প্ৰবন্ধ আছিল য'ত আপীলকাৰীৰ দ্বাৰা উল্লেখ কৰা হৈছিল যে, উক্ত গ্ৰন্থখন (গোবিন্দ সংগীত লীলা বিলাস) ৰজা ভাগ্যচন্দ্ৰই ১৮শতিকাত লিখিছিল, যাৰ পাণ্ডুলিপিৰ এটা অংশ ১০১ নং পৃষ্ঠাত প্ৰকাশ পাইছিল। যাৰ দ্বাৰা আপীলকাৰীয়ে তেওঁৰ স্থিতি পুনৰ দোহাৰিছিল যে, প্ৰথম কিতাপখন, যি ১৯৬৬চনৰ অভিযোগৰ বিষয় আছিল, ৰজা ভাগ্যচন্দ্ৰৰ লিখনিৰ ওপৰত আধাৰিত। অভিযোগ আছিল যে, ভাগ্যচন্দ্ৰ নিৰক্ষৰ হোৱাৰ বাবে পাণ্ডুলিপিটো লিখিব নোৱাৰিব আৰু, আপীলকাৰীয়ে তেওঁৰ কিতাপখনক বিশ্বাসযোগ্যতা প্ৰদান কৰিবলৈ পাঠকসকলৰ আগত মিছা

প্ৰতিনিধিত্ব কৰিছিল যে, সেইখন ৰজাই লিখা পাণ্ডুলিপিৰ ওপৰত আধাৰিত।

মুখ্য ন্যায়িক ন্যায়াধীশে আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৪২০ ধাৰাৰ সৈতে ৪৬৫ আৰু ৪৬৮ধাৰাৰ অধীনত অভিযোগটো বিবেচনা কৰিছিল আৰু তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ নিৰ্দেশ দিছিল। আপীলকাৰীয়ে ফৌজদাৰী প্ৰক্ৰিয়া বাতিল কৰিবলৈ উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ আবেদনখন নাকচ কৰাৰ পিছত সংবিধানৰ ১৩৬ নং অনুচ্ছেদৰ অধীনত এই আদালতত আবেদন কৰা হৈছে।

আপীলকাৰীৰ হৈ উপস্থাপন কৰা হৈছিল যে, প্ৰক্ৰিয়াটোত আদালতৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰ হৈছিল আৰু তেওঁৰ বিৰুদ্ধে কোনো আইনীভাৱে গ্ৰহণযোগ্য প্ৰমাণ নথকাৰ বাবে আৰু লগতে কোনো অপৰাধ সংঘটিত নোহোৱাৰ বাবে এইখন বাতিল কৰাৰ যোগ্য। অভিযোগটো অচল হৈ পৰিছিল কাৰণ, সেই একেই বিষয়টোৰ সৈতে সম্পৰ্কিত এটা অভিযোগ পূৰ্বে ধাৰা ৫০০ ভাৰতীয় দণ্ডবিধিৰ অধীনত দাখিল কৰা হৈছিল, যি আপোচেৰে সমাপ্ত হৈছিল। একেটা বিষয় পুনৰ উত্থাপন কৰাটো কোনো সঠিক উদ্দেশ্যত নাছিল, বৰঞ্চ আপীলকাৰীৰ বিৰুদ্ধে হিংসাৰ বাবে কৰা হৈছিল, কিয়নো সংগীত নাটক একাডেমীয়ে তেওঁৰ কামৰ বাবে বঁটা প্ৰদান কৰিছিল, যি তেওঁ প্ৰকাশ কৰিছিল। এইটোও দাবী কৰা হৈছিল যে, পূৰ্বৰ গোচৰটোত আবেদনকাৰীয়ে ক্ষমা বিচাৰিছিল, যি গ্ৰহণ কৰা হৈছিল।

উত্তৰদাতাৰ ফালৰ পৰা দাবী কৰা হৈছিল যে, পদক্ষেপৰ এক নতুন কাৰণ আহৰণ কৰা হৈছিল কিয়নো আপীলকাৰীয়ে পৰৱৰ্তী সময়ত

প্ৰকাশিত তেওঁৰ প্ৰবন্ধত একে অপৰাধৰ পুনৰাবৃত্তি কৰিছিল, য'ত আপীলকাৰীয়ে পুনৰ ভুলকৈ উল্লেখ কৰিছিল যে, উক্ত কিতাপখন ৰজা ভাগ্যচন্দ্ৰই লিখিছিল।

আপীলৰ অনুমতি প্ৰদান কৰি, এই আদালতে

উপস্থাপন কৰে, ১.১ ভুৱা নথিপত্ৰ এখন প্ৰস্তুত কৰাৰ বাবে সংশ্লিষ্ট ব্যক্তিয়ে সেইখন প্ৰস্তুত, স্বাক্ষৰ কৰিব লাগিব, মোহৰ মাৰিব লাগিব বা কাৰ্য্যকৰী কৰিব লাগিব। আপীলকাৰীয়ে অভিযুক্ত পাণ্ডুলিপিটো প্ৰস্তুত কৰা নাছিল, স্বাক্ষৰ কৰা নাছিল, মোহৰ মাৰা নাছিল বা কাৰ্য্যকৰী কৰা নাছিল যিহেতু আপীলকাৰীয়ে এইখন ৰজা ভাগ্যচন্দ্ৰৰ হাতত থকা বুলি প্ৰতিনিধিত্ব কৰা কিছুমান লিখনি প্ৰেৰণ কৰিছিল। [৬১৬-দি]

১.২ এইটো অভিযোগ নহয় যে, আপীলকাৰীয়ে নিজেই পাণ্ডুলিপিটো লিখিছিল আৰু ইয়াক ৰজা ভাগ্যচন্দ্ৰৰ বুলি প্ৰতিনিধিত্ব কৰিছিল। এই স্থিতি থকা স্বত্বেও, ধাৰা ৪৬৪-ৰ ব্যাখ্যা ২-ত যি কোৱা হৈছিল তাৰ প্ৰতি লক্ষ্য ৰাখি ধাৰা ৪৬৪-ৰ প্ৰয়োজনীয়তা পূৰণ কৰা হ'ব। সেয়েহে, এতিয়ালৈকে "making of a false document" (ভুৱা নথিপত্ৰ তৈয়াৰ কৰা) উল্লেখ হোৱা ব্যাখ্যাটো অত্যাৱশ্যকীয়; আৰু বৰ্তমানৰ গোচৰটোত এই দিশটোৱেই অনুপস্থিত। সেয়েহে, গোচৰটোত কৰা অভিযোগবোৰ, সঁচা হ'লেও, জালিয়াতিৰ গোচৰ প্ৰকাশ নকৰে। [৬১৬- এফ, ৬১৭- বি]

২. যদি জালিয়াতি নহয়, তেন্তে ৪২০ধাৰাৰ অধীনত অভিযোগ বিফল হ'ব কিয়নো অভিযোগটো হ'ল যে, "উক্ত কিতাপখন জালিয়াতি কৰি" প্ৰতাৰণা কৰা হৈছিল আৰু জনসাধাৰণক এইখন ক্ৰয় কৰিবলৈ প্ৰেৰিত কৰা হৈছিল। সেয়েহে, forgery(জালিয়াতি) হৈছে মূল অভিযোগ, cheating (প্ৰতাৰণা) এক পৰিণামমূলক অপৰাধ। যদি জালিয়াতি হৈ যায়,

প্ৰতাৰণাৰ থল নাথাকিব। সেয়েহে, অভিযোগটোৱে তিনিটা ধাৰা, অৰ্থাৎ ৪২০, ৪৬৫ আৰু ৪৬৮-ৰ কোনো এটাৰ অধীনত গোচৰ ৰুজু নকৰে। ধাৰা ৪৬৮, ধাৰা ৪২০ আৰু ৪৬৫ধাৰাৰ সৈতে ওত:প্ৰোতভাৱে জড়িত। [৬১৭-বি-চি]

৩. এই সন্দৰ্ভত, গোচৰটো সমৰ্থন কৰিবলৈ কোনো আইনীভাৱে গ্ৰহণযোগ্য প্ৰমাণ নথকাত, তিনিটা টুকুৰা প্ৰমাণৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰশীলতা স্থাপনৰ চেষ্টা কৰা হৈছিল। প্ৰথম উক্তিটো আইনত গ্ৰহণযোগ্য নহয় যিহেতু সাক্ষ্য আইনৰ ধাৰা ৩৩-ৰ বিধিৰ প্ৰয়োজনীয়তা পূৰণ নহয়। দ্বিতীয় উক্তিৰ ক্ষেত্ৰত, ইয়াক আইনী ভাষাত "written hearsay" (লিখিত ৰূপত মুখবাগৰা কথা) বুলি কোৱা হয়। তৃতীয় বিবৃতিটো, যদিও গ্ৰহণযোগ্য, অভিযোগকাৰীৰ গোচৰটো আগুৱাই নিয়া নাই কিয়নো পাণ্ডুলিপিটো ৰজা ভাগ্যচন্দ্ৰৰ নাছিল বুলি স্বীকাৰ কৰা হোৱা নাই। [৬১৭-দি-এইচ, ৬১৮-এ]

৪. যিহেতু অভিযোগটোত কোনো গোচৰৰ উত্থাপন কৰা হোৱা নাই, প্ৰক্ৰিয়া অব্যাহত ৰখাটো কেৱল আদালতৰ সময়ৰ অপচয় হ'ব আৰু প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ অনুমতি দিয়াৰ কোনো উপযোগী উদ্দেশ্য পূৰণ কৰা নহ'ব, এই আদালতে সংবিধানৰ ১৩৬নং অনুচ্ছেদৰ অধীনত ক্ষমতা আহৰণ কৰিবলৈ আগ্ৰহী আছিল। [৬১৮-চি]

৫. অৱশ্যে, আপীলকাৰীয়ে ৰাজহুৱা বিবৃতি প্ৰদান কৰাটো উচিত হ'ব যে, পাণ্ডুলিপিটো ৰজা ভাগ্যচন্দ্ৰৰ হাতত নাছিল আৰু তেওঁ ভৱিষ্যতে অনুৰূপ উল্লেখ নকৰাৰ প্ৰতিশ্ৰুতি দিয়ে, কিয়নো এনে বিবৃতিয়ে জনসাধাৰণৰ ভাৱনাক আঘাত কৰিছে, যিসকলৰ প্ৰয়াত ৰজা ভাগ্যচন্দ্ৰৰ

**প্ৰতি যথেষ্ট মান্যতা লগতে সন্মান আছে, যাৰ প্ৰতি আপীলকাৰীয়ে ভিত্তিহীন আৰোপ কৰিছিল। [৬১৮-ডি-ই]**

**ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ**- ফৌজদাৰী আপীল আবেদন নং. ১৮০৫-১৯৯৬।

১৯৯১চনৰ ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ নং১-ত অসম উচ্চ ন্যায়ালয়ৰ ১২-০৮-৯৪ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ পক্ষত ৰাম জেঠমালানী, পি. এইচ. পাৰেখ আৰু শ্ৰীমতী ইন্দু বাৰ্মা।

উত্তৰদাতাৰ পক্ষত ডাঃ শংকৰ ঘোষ, এছ. কে. ভট্টাচাৰ্য, এল. কে. পাওনাম আৰু এছ. জননী।

আদালতৰ ৰায় প্ৰদান কৰে

**ন্যায়াধীশ হান্সাৰিয়া**, অনুমতি প্ৰদান কৰে।

ইম্ফলৰ মুখ্য ন্যায়িক ন্যায়াধীশে আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধিৰ ৪২০ধাৰাৰ সৈতে ৪৬৫ আৰু ৪৬৮ধাৰাৰ অধীনত এক অভিযোগৰ বিবেচনা কৰে; আৰু তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰীনামা জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে। ফৌজদাৰী প্ৰক্ৰিয়া বাতিল কৰিবলৈ তেওঁ গৌহাটী উচ্চ ন্যায়ালয়ৰ ইম্ফল পীঠৰ কাষ চাপিছিল। উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ আবেদনখন নাকচ কৰাৰ পিছত সংবিধানৰ ১৩৬নং অনুচ্ছেদৰ অধীনত এই আদালতত আবেদন কৰা হৈছে।

২. আবেদনকাৰীৰ হৈ হাজিৰ হোৱা শ্ৰী জেঠমালানীয়ে দাবী কৰিছে যে, এই কাৰ্য্যত আদালত প্ৰক্ৰিয়াৰ অপব্যৱহাৰ হৈছে লগতে আপীলকাৰীৰ বিৰুদ্ধে কোনো আইনীভাৱে গ্ৰহণযোগ্য প্ৰমাণ নথকাত আৰু গোচৰটোত আপীলকাৰীৰ

বিৰুদ্ধে কৰা অভিযোগবোৰ সঁচা বুলি গ্ৰহণ কৰিলেও কোনো অপৰাধ সংঘটিত নোহোৱা বাবে খাৰিজ কৰাতো বাঞ্চনীয়।

৩. আন দিশ সমূহৰ লগতে প্ৰক্ৰিয়াৰ যুক্তিৰ অপব্যৱহাৰ হৈছে, এই ভিত্তিত যে অভিযোগটো পুৰণি; অনুৰূপ বিষয়ৰ সৈতে সম্পৰ্কিত ১৯৬৬চনৰ আৰম্ভণিতে ভাৰতীয় দণ্ডবিধিৰ ৫০০নং ধাৰাৰ অধীনত অভিযোগ দাখিল কৰা হৈছিল, যিটো গোচৰ নং. ১৩/৬৬ৰ অভিযোগৰ বিষয়বস্তু, যি অৱশ্যে ১৯৬৮চনত আপোচ কৰি সমাপ্ত হৈছিল। বিদ্বান পৰামৰ্শদাতাৰ মতে, ১৯৯০চনত একে বিষয়ত পুনৰ হুলস্থূল কৰাটো কোনো সঠিক উদ্দেশ্যৰ বাবে নহয়, বৰঞ্চ প্ৰকৃত কাৰণ আছিল– আপীলকাৰীৰ ১৯৬৪চনত প্ৰকাশ পোৱা "*গোবিন্দ সংগীত লীলা বিলাস*" শীৰ্ষক কিতাপখনৰ বাবে তেওঁক সংগীত নাটক একাডেমী বঁটা প্ৰদান কৰা হৈছিল। বিষয়টোত শিক্ষিত উপস্থাপনৰ প্ৰতীক হিচাপে এই বঁটা প্ৰদান কৰা হৈছিল। অপব্যৱহাৰৰ যুক্তিটোও অগ্ৰসৰ কৰা হৈছে কাৰণ, পূৰ্বৰ গোচৰটোত আপীলকাৰীয়ে ক্ষমা বিচাৰিছিল যি গ্ৰহণ কৰাও হৈছিল; আৰু সেয়েহে, বৰ্তমানৰ অভিযোগটো কেৱল তেওঁক হাৰাশাস্তি কৰাৰ বাবে।

৪. উত্তৰদাতাৰ হৈ হাজিৰ হোৱা ডাঃ ঘোষে আহ্বান জনাইছে যে, এক নতুন cause of action(কাৰণ) গ্ৰহণ কৰা হ'ব, যাৰ ফলত বৰ্তমানৰ অভিযোগ দাখিল কৰা হ'ব, যিহেতু আপীলকাৰীয়ে ১৯৮৯চনৰ "*মণিপুৰৰ নৃত্য; ধ্ৰুপদী পৰম্পৰা*"ত প্ৰকাশিত তেওঁৰ প্ৰবন্ধত একে অপৰাধৰ পুনৰাবৃত্তি কৰিছিল। এই সংকলনখনত আবেদনকাৰীৰ "*তত্ত্বঃ পাঠগত পৰম্পৰা*" শীৰ্ষক এক প্ৰবন্ধ আছে য'ত পুনৰ আবেদনকাৰীয়ে উল্লেখ কৰিছে যে, পূৰ্বৰ কিতাপখন (*গোবিন্দ সংগীত লীলা বিলাস*) ৰজা ভাগ্যচন্দ্ৰই ১৮শতিকাত লিখিছিল, যাৰ পাণ্ডুলিপিৰ এটা অংশ ১০১পৃষ্ঠাত প্ৰকাশ পাইছে। সেয়েহে,

বিদ্বান পৰামৰ্শদাতাৰ মতে, আবেদনকাৰীয়ে তেওঁৰ স্থিতি পুনৰ দোহাৰিছে যে, ১৯৬৬চনৰ অভিযোগৰ বিষয় হিচাপে থকা প্ৰথম গ্ৰন্থখন ৰজা ভাগ্যচন্দ্ৰৰ লিখনিৰ ওপৰত আধাৰিত। অভিযোগটো হৈছে যে, ভাগ্যচন্দ্ৰ নিৰক্ষৰ হোৱাৰ বাবে পাণ্ডুলিপিটো লিখিব পৰা নাছিল; আৰু আপীলকাৰীয়ে তেওঁৰ কিতাপখনক বিশ্বাসযোগ্যতা প্ৰদান কৰিবলৈ পাঠকসকলৰ আগত মিছা উপস্থাপন কৰিছিল যে, সেইখন ৰজাই লিখা পাণ্ডুলিপিৰ ওপৰত আধাৰিত।

৫. ওপৰোক্ত তথ্যসমূহৰ ওপৰত, আমি শ্ৰী জেঠমালানীৰ এই যুক্তি গ্ৰহণ নকৰো যে, পুৰণি বিষয় হিংসাৰ বাবে পুনৰ উত্থাপন কৰা হৈছে। সেয়েহে, আমি বৰ্তমানৰ গোচৰটোত অধিবক্তাৰ অনুৰোধ অনুসৰি আদালতৰ প্ৰক্ৰিয়াৰ কোনো অপব্যৱহাৰ হোৱা দেখা পোৱা নাই।

৬. আমি এতিয়া এই যুক্তি চালিজাৰি চাব পাৰো যে, গোচৰটোত উত্থাপন কৰা অভিযোগবোৰ সঁচা হ'লেও, ওপৰোক্ত দণ্ডনীয় ধাৰাৰ অধীনত গোচৰটো ৰুজু কৰিব নোৱাৰি। মূল অভিযোগটো হ'ল যে, আপীলকাৰীয়ে প্ৰথম কিতাপখন ৰজাৰ পাণ্ডুলিপিৰ ওপৰত আধাৰিত বুলি উল্লেখ কৰি জাল কৰিছিল, ফলস্বৰূপ চৰকাৰক ইয়াক প্ৰকাশ কৰিবলৈ প্ৰতাৰণা কৰি, ২,৫০০টকাৰ সাহায্য লোৱা হৈছিল আৰু যিয়ে জনসাধাৰণৰ মাজৰ বহুজনক এইকথা সত্য বুলি বিশ্বাস কৰি ইয়াক ক্ৰয় কৰিবলৈ প্ৰেৰিত কৰিছিল, যাৰ ফলত তেওঁলোক তেওঁলোকৰ ধনৰ পৰা বঞ্চিত হৈছিল। শ্ৰী জেঠমালানীয়ে আহ্বান জনাইছে যে, ৪৬৫ধাৰাৰ অধীনত কৰা অপৰাধৰ ক্ষেত্ৰত, ৪৬৩নং ধাৰাত সংজ্ঞায়িত কৰা অনুসৰি "জালিয়াতি" হ'ব লাগিব, যাৰ প্ৰথম উপাদান হৈছে "যিকোনো ভুৱা নথিপত্ৰ বা নথিপত্ৰৰ এটা অংশ" তৈয়াৰ কৰা। ধাৰা ৪৬৪ অনুসৰি এজন ব্যক্তিয়ে ভুৱা নথি প্ৰস্তুত কৰে বুলি কোৱা হয়।

প্ৰথম– যিয়ে dishonestly (অসত্যৰ সহায়ত) বা fraudulently (প্ৰতাৰণাৰে) কোনো দস্তাবেজ বা দস্তাবেজৰ অংশ তৈয়াৰ কৰে, স্বাক্ষৰ কৰে বা কাৰ্য্যকৰী কৰে, বা কোনো দস্তাবেজৰ কাৰ্য্যকৰীকৰণক সূচাই কোনো চিহ্ন দিয়ে, এই বিশ্বাসৰ উদ্দেশ্যৰে যে, এনে দস্তাবেজ বা দস্তাবেজৰ অংশ এজন ব্যক্তিৰ কৰ্তৃত্বৰ দ্বাৰা কৰা হৈছিল, স্বাক্ষৰ কৰা হৈছিল, ছীল কৰা হৈছিল বা কাৰ্যকৰী কৰা হৈছিল, যাৰ দ্বাৰা বা যাৰ কৰ্তৃত্বৰ দ্বাৰা তেওঁ জানে যে, এইখন তৈয়াৰ কৰা হোৱা নাছিল, স্বাক্ষৰ কৰা হোৱা নাছিল, ছীল কৰা হোৱা নাছিল বা কাৰ্যকৰী কৰা হোৱা; অথবা

দ্বিতীয়তে, * * * * *

তৃতীয়তে, * * * * *

বাখ্যা– কাল্পনিক ব্যক্তি এগৰাকীৰ নামত ভুৱা নথিপত্ৰ প্ৰস্তুত কৰাটো এই উদ্দেশ্যেত হয় যে, নথিপত্ৰখন প্ৰকৃত ব্যক্তিজনে প্ৰস্তুত কৰিছিল, বা মৃতব্যক্তিৰ নামত কৰা এই বিশ্বাসত যে, ব্যক্তিজনে তেওঁৰ জীৱনকালত প্ৰস্তুত কৰিছিল, সেয়া জালিয়াতিৰ সমান হ'ব পাৰে।

৭. শ্ৰী জেঠমালানীয়ে আহ্বান জনাইছে যে, ভুৱা নথিপত্ৰ এখন তৈয়াৰ কৰাৰ বাবে সংশ্লিষ্ট ব্যক্তিয়ে সেইখন তৈয়াৰ কৰিব লাগিব, স্বাক্ষৰ কৰিব লাগিব, মোহৰ দিব লাগিব বা কাৰ্যকৰী কৰিব লাগিব। এইটো দাখিল কৰা হয় যে, বৰ্তমানৰ গোচৰটোত, অভিযোগ অনুসৰিও, আবেদনকাৰীয়ে অভিযুক্ত পাণ্ডুলিপিটো স্থানান্তৰ কৰা নাছিল, স্বাক্ষৰ কৰা নাছিল, ছীল কৰা নাছিল বা কাৰ্য্যকৰী কৰা নাছিল কাৰণ অভিযোগটো হ'ল যে, আপীলকাৰীয়ে ইয়াক প্ৰতিনিধিত্ব কৰিছিল যে, কিছুমান লিখনি ৰজাৰ হাতত আছিল। প্ৰাৰম্ভিক বিবৃতিত অভিযোগকাৰীয়ে কৈছিল যে, আবেদনকাৰীয়ে "প্ৰয়াত মহাৰাজা ভাগ্যচন্দ্ৰৰ দ্বাৰা লিখা বুলি দাবী কৰি সত্য বুলি

দেখুৱাই......" ওপৰত উল্লেখ কৰা ভুৱা কিতাপখনৰ ওপৰত নিৰ্ভৰ কৰিছিল।

৮. এইটোৱে দেখুৱায় যে, অভিযোগবোৰ হৈছে- আপীলকাৰীয়ে কিছুমান লিখনি ৰজাৰ বুলি প্ৰতিনিধিত্ব কৰিছিল, যদিও প্ৰকৃততে সেইটো সত্য নাছিল। এইটো অভিযোগ নহয় যে, আপীলকাৰীয়ে নিজেই পাণ্ডুলিপিটো লিখিছিল আৰু ইয়াক মহাৰাজাৰ বুলি প্ৰতিনিধিত্ব কৰিছিল। ডাঃ ঘোষৰ মতে, এই স্থিতি থকা স্বত্বেও, ধাৰা ৪৬৪ৰ ২নং ব্যাখ্যাত যি কোৱা হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখি ধাৰা ৪৬৪ৰ প্ৰয়োজনীয়তা পূৰণ কৰা হ'ব যিয়ে দেখুৱায় যে, ইয়াক আকৰ্ষিত কৰিবলৈ "ভুৱা নথিপত্ৰ তৈয়াৰ কৰাটো" অত্যাৱশ্যকীয়; আৰু শ্ৰী জেঠমালানীৰ মতে বৰ্তমানৰ গোচৰটোত এই দিশটোৱেই অনুপস্থিত। শ্ৰী জেঠমালানীৰ দাখিলত স্পষ্টভাৱে যুক্তি আছে কাৰণ, ইতিমধ্যে উল্লেখ কৰা অনুসৰি, এইটো অভিযোগ নহয় যে, আপীলকাৰীয়েই প্ৰশ্ন উত্থাপিত লিখনিটো লিখিছিল, স্বাক্ষৰ কৰিছিল, ছীল কৰিছিল বা কাৰ্যকৰী কৰিছিল। ইয়াৰ উপৰিও, যেতিয়া আমি ড. ঘোষক ৰজা ভাগ্যচন্দ্ৰৰ কোনখন লেখা তেওঁৰ বুলি প্ৰতিনিধিত্ব কৰা হৈছিল সেই বিষয়ত আমাৰ দৃষ্টিগোচৰ কৰাবলৈ বিচাৰিছিলো, তেতিয়া আমাক "*ৰাজৰ্ষী ভাগ্যচন্দ্ৰ গোবিন্দ সংগীত লীলা বিলাস*" শীৰ্ষক এখন ছপা কিতাপৰ উল্লেখ কৰিছিল। এই গ্ৰন্থখন অৱশ্যে পণ্ডিত ব্ৰজ বিহাৰী শৰ্মাৰ মণিপুৰী অনুবাদ। আমাৰ ওচৰত মূলটো নাই।

৯. ওপৰোক্ত কথাৰ প্ৰতি লক্ষ্য ৰাখি, আমি শ্ৰী জেঠমালানীৰ সৈতে একমত যে, গোচৰটোত কৰা অভিযোগবোৰ, সঁচা হ'লেও, জালিয়াতিৰ গোচৰটো গঠন নকৰে। এতিয়া, যদি জালিয়াতি নহয়, তেন্তে ৪২০ধাৰাৰ অধীনত অভিযোগ বিফল হ'ব কাৰণ গোচৰটোৰ ৫নং অনুচ্ছেদত থকা অভিযোগটো হ'ল যে, "উক্ত কিতাপখন জালিয়াতি কৰি" প্ৰতাৰণা কৰা

হৈছিল আৰু জনসাধাৰণক ক্রয় কৰিবলৈ প্রেৰিত কৰা হৈছিল। সেয়েহে, জালিয়াতি হৈছে মূল অভিযোগ; প্রতাৰণা এক পৰিণামমূলক অপৰাধ। যদি জালিয়াতি হ'লে, প্রতাৰণা বৰ্তি থাকিব নোৱাৰে। সেয়েহে, অভিযোগৰ ধাৰাসমূহ, তিনিটা ধাৰাত অৰ্থাৎ ৪২০, ৪৬৫ আৰু ৪৬৮-ৰ অভিযোগত গোচৰ ৰুজু নহ'ব। এইটো উল্লেখ কৰিব পাৰি যে, ধাৰা ৪৬৮, ৪২০ আৰু ৪৬৫ৰ সৈতে ওত:প্ৰোতভাৱে জড়িত।

১০. উপৰোক্ত সিদ্ধান্তত উপনীত হোৱাৰ পিছত, অভিযোগকাৰীৰ গোচৰটো সমৰ্থন কৰিবলৈ কোনো আইনীভাৱে গ্রহণযোগ্য প্রমাণ নাই বুলি শ্রী জেঠমালানীৰ আন এক উপস্থাপনৰ সৈতে চালিজাৰি চোৱাটো প্ৰকৃততে প্ৰয়োজনীয় নহয়। সামগ্রিকভাৱে অৱশ্যে এইটো উল্লেখ কৰিব পাৰি যে, এই দাখিল আগতীয়াকৈ কৰা হৈছে, কাৰণ অভিযোগটোত প্ৰধানকৈ তিনিটা প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰিব বিচৰা হৈছে: (১) প্ৰথম অভিযোগত লিপিবদ্ধ কৰা মদন গোপাল শৰ্মা নামৰ (মৃত) এজনৰ বিবৃতি, আৰু যি annexure (সংযুক্তি) চি/১ হিচাপে সংলগ্ন কৰা হৈছে; (২) এজন পণ্ডিত শ্রী জোগিন্দৰ নাথ ভট্টাচাৰ্য (তেওঁ বৰ্তমান মৃত), যি সংযুক্তি চি/২ হিচাপে সংলগ্ন কৰা হৈছে; আৰু (৩) আপীলকাৰীৰ ০৮-১০-৬৬তাৰিখৰ এক বিবৃতি যি প্ৰথম অভিযোগ দাখিল কৰাৰ সময়ত দিয়া হৈছিল, যি সংযুক্তি চি/৩। প্ৰথমটোৰ ক্ষেত্ৰত, শ্ৰী জেঠমালানীৰ দাখিল হৈছে যে, সাক্ষ্য আইনৰ ধাৰা ৩৩-ৰ ব্যৱস্থাৰ প্ৰয়োজনীয়তা পূৰণ নোহোৱাৰ বাবে ই আইনত গ্ৰহণযোগ্য নহয়। এনেকুৱা হোৱা যেন লাগিছে। সংযুক্তি চি/৩ৰ ক্ষেত্ৰত, বিবাদটো হ'ল এইয়ে যে, আইনী ভাষাত "written hearsay" (লিখিত ৰূপত থকা মুখবাগৰা কথা) বুলি কোৱা হয়। সংযুক্তি চি/৩-ৰ ক্ষেত্ৰত, দাখিল কৰাটো হ'ল- যদিও, সেইটো গ্ৰহণযোগ্য, কিন্তু ই একো প্ৰমাণ নকৰে। সেই

বিবৃতিটো পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে, আপীলকাৰীয়ে তাত উল্লেখ কৰিছিল যে, তেওঁ ৰাজৰ্ষীৰ পাণ্ডুলিপিটো বিচাৰি পাইছিল আৰু সেইখনেই সম্পাদনা কৰিছিল, যাৰ বাবে তেওঁ ব্যাকৰণীক সমস্যা আৰু বানান সংশোধনৰ বাবে এজন সংস্কৃত পণ্ডিতৰ সহায় লৈছিল। তাৰপিছত তেওঁ কিতাপখনৰ এটা পৰিৱৰ্তিত সংস্কৰণ উলিয়াই আনে আৰু মূলটো ধ্বংস কৰে কিয়নো তেওঁ ভাবিছিল যে, যদি দুখন পাণ্ডুলিপি ৰখা হয় তেন্তে ই বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। আপীলকাৰীয়ে অনুভৱ কৰাৰ দৰে ক্ষমা বিচাৰি যোগ দিয়া বিবৃতিয়ে অদূৰদৰ্শীতাৰ পৰিচায়ক। এইটোৱে দেখুৱায় যে, শ্ৰী জেঠমালানীয়ে দাবী কৰাত সঠিক যে, বিবৃতিটোৱে অভিযোগৰ গোচৰটো আগুৱাই নিয়া নাই কিয়নো পাণ্ডুলিপিটো ৰাজৰ্ষী ভাগ্যচন্দ্ৰৰ নাছিল বুলি স্বীকাৰ কৰা হোৱা নাই।

১১. ওপৰোক্ত আইনী স্থিতি হোৱাৰ বাবে, আমি অভিযোগটো বাতিল কৰি আপীলটোৰ অনুমতি দিম। এইটো উল্লেখ কৰিব পাৰি যে, পক্ষসমূহৰ পৰা বিশদভাৱে পৰামৰ্শ লোৱাৰ পিছত, আমি ড. ঘোষৰ এই আবেদন গ্ৰহণ কৰিবলৈ আগ্ৰহী নহয় কাৰণ, এই আদালতত ১৩৬নং অনুচ্ছেদৰ অধীনত ক্ষমতাত যোগাযোগ কৰা হৈছে, যি ন্যায়ৰ অপব্যৱহাৰ হোৱাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। আমি গম পাইছো যে, অভিযোগটোত কোনো গোচৰ ৰুজু কৰা হোৱা নাই, কাৰ্য্য প্ৰক্ৰিয়া অব্যাহত থকাত সময় অপব্যয় হ'ব। ইয়াৰ কাৰণ হ'ল ১৩৬নং অনুচ্ছেদৰ অধীনত আমাৰ ক্ষমতা আহৰণ কৰাৰ প্ৰৱণতা।

১২. এৰাএৰিৰ পূৰ্বে, আমি ক'ব বিচাৰো যে, ই আপীলকাৰীক ৰাজহুৱা বিবৃতি দিবলৈ দায়বদ্ধ কৰিব, যেনেকৈ তেওঁৰ নিষ্ক্ৰিয় আপোচ আলোচনাৰ সময়ত আগবঢ়োৱা হৈছিল যে, পাণ্ডুলিপিটো ৰাজৰ্ষি ভাগ্যচন্দ্ৰৰ

হাতত নাছিল আৰু তেওঁ ভৱিষ্যতে তেনে কথা নোকোৱাৰ প্ৰতিশ্ৰুতি দিয়ে। আমি এনে বিবৃতিৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো কাৰণ, আমাৰ মতে পাণ্ডুলিপিটো ৰাজা ভাগ্যচন্দ্ৰৰ হাতত থকাৰ দাবীয়ে মণিপুৰৰ জনসাধাৰণৰ ভাৱনাক আঘাত কৰিছে, যিসকলৰ প্ৰয়াত ৰজা ভাগ্যচন্দ্ৰৰ প্ৰতি যথেষ্ট সন্মান আৰু মান্যতা আছে, যাৰ ওপৰত আপীলকাৰীয়ে কোনো ভিত্তি নোহোৱাকৈ স্পষ্টভাৱে উদ্দেশ্যৰে অভিযোগ উত্থাপন কৰিছিল।

---------------------------------------------------------
-

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়


DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”